**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-03-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচী লৈ আজি পুৱা দ্বীপ ৰাষ্ট্ৰ মৰিচাছত উপস্থিত হয়। দেশখনৰ প্ৰধানমন্ত্ৰী নৱীচন্দ্ৰ ৰামগুলামে শ্ৰী মোদীক বিমান বন্দৰত আদৰণি জনায়।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, পঞ্জাব কেন্দ্ৰীয় বিশ্ববিদ্যালয় কেৱল ভাৰতৰ ভিন্ন সংস্কৃতিকে নহয়, বৰং বিদেশৰ সংস্কৃতিকো তুলি ধৰিছে।

৩। কেন্দ্ৰীয় চৰকাৰে অহা তিনি বছৰৰ ভিতৰত দেশৰ প্ৰতিখন জিলাতে কৰ্কট ৰোগৰ চিকিৎসাৰ বাবে একোটা ডে কেয়াৰ কেন্দ্ৰ মুকলি কৰিব।

৪। ৰাষ্ট্ৰীয় শিক্ষা নীতি আৰু ত্ৰিভাষা নীতিক লৈ ডি এম কেৰ সাংসদসকলে আজি সংসদভৱনৰ বাহিৰত প্ৰতিবাদ সাব্যস্ত কৰে।*আৰু*

৫। কেলিফ'ৰ্নিয়াত অনুষ্ঠিত ইণ্ডিয়ান ৱেলছ্ অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছত ভাৰতৰ য়ুকি ভাম্বৰি আৰু ছুইডেনৰ আন্দ্ৰে গোৰানছন যুটীয়ে প্ৰী-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচী লৈ আজি পুৱা দ্বীপ ৰাষ্ট্ৰ মৰিচাছত উপস্থিত হয়। দেশখনৰ প্ৰধানমন্ত্ৰী নৱীচন্দ্ৰ ৰামগুলামে শ্ৰী মোদীক বিমান বন্দৰত আদৰণি জনায়। মৰিচাছৰ প্ৰধানমন্ত্ৰীৰ সৈতে বিমান বন্দৰত দেশখনৰ উপ-প্ৰধানমন্ত্ৰী, মুখ্য ন্যায়াধীশ, সংসদৰ অধ্যক্ষ, বিৰোধী দলপতি, বিদেশ মন্ত্ৰী, কেবিনেট সচিব, গ্ৰেণ্ড পোৰ্ট, জিলা পৰিষদৰ অধ্যক্ষ আৰু অন্যান্য বহু নেতাই প্ৰধানমন্ত্ৰী মোদীক আদৰণি জনায়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে বিমান বন্দৰত মৰিচাছৰ প্ৰধানমন্ত্ৰী নৱীচন্দ্ৰ ৰামগুলামৰ আদৰণিয়ে তেওঁক অভিভূত কৰি তুলিছে। এই ভ্ৰমণে তেওঁক এগৰাকী মূল্যবান বন্ধুৰ সৈতে সময় কটোৱাৰ অপূৰ্ব সুযোগ দিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে এই ভ্ৰমণে ভাৰত আৰু মৰিচাছৰ মাজত বিভিন্ন ক্ষেত্ৰৰ সহযোগিতাৰ নতুন দুৱাৰ খুলি দিব। মৰিচাছৰ ৰাষ্ট্ৰপতি ধৰম গকুল, প্ৰধানমন্ত্ৰী নৱীচন্দ্ৰ ৰামগুলামৰ সৈতে আলোচনাত বহাৰ লগতে এটা সামূহিক কাৰ্যসূচীতো অংশগ্ৰহণ কৰিব বুলি প্ৰধানমন্ত্ৰী মোদীয়ে জানিবলৈ দিয়ে।

প্ৰধানমন্ত্ৰী মোদী থকা হোটেলৰ সন্মুখত মৰিচাছবাসী ভাৰতীয়সকলে ভিৰ কৰে। প্ৰধানমন্ত্ৰীক তেওঁলোকে গীত, নৃত্য আৰু অন্যান্য সাংস্কৃতিক পৰিৱেশনেৰে আদৰণি জনায়। শ্ৰী মোদীয়ে মৰিচাছৰ প্ৰবাসী ভাৰতীয়সকলৰ আদৰণিত আপ্লুট হোৱা বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰবাসী ভাৰতীয়সকলৰ ভাৰতৰ ঐতিহ্য, সংস্কৃতি আৰু প্ৰমূল্যৰ সৈতে থকা শক্তিশালী বান্ধোন সঁচাকৈয়ে প্ৰেৰণা দায়ক। তেওঁ এই ঐতিহাসিক আৰু আত্মিক বান্ধোন উত্তৰ প্ৰজন্মলৈ সঞ্চাৰিত হৈ থাকিব বুলি আশা প্ৰকাশ কৰে।

এই দুদিনীয়া ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদীয়ে দেশখনত ভাৰতৰ পুঁজিৰে নিৰ্মাণ কৰা দক্ষতা বিকাশৰ পৰা আৰম্ভ কৰি আন্তঃগাঁথনিলৈকে বিভিন্ন খণ্ডৰ ২০টাৰো অধিক প্ৰকল্প মুকলি কৰিব। তেওঁ

কাইলৈ মৰিচাছৰ ৰাষ্ট্ৰীয় দিৱস উদযাপন অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। দুয়োখন দেশে যোগ্যতা বিকাশ, বাণিজ্য আৰু বিত্তীয় অপৰাধকে ধৰি বিভিন্ন ক্ষেত্ৰত কেইবাখনো সহযোগিতামূলক চুক্তিত স্বাক্ষৰ কৰাৰ আশা আছে।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, পঞ্জাব কেন্দ্ৰীয় বিশ্ববিদ্যালয় কেৱল ভাৰতৰ ভিন্ন সংস্কৃতিকে নহয়, বৰং বিদেশৰ সংস্কৃতিকো তুলি ধৰিছে। তেওঁ কয়, যে বিশ্ববিদ্যালয়খনৰ শিক্ষাৰ্থী আৰু শিক্ষকসকলৰ জৰিয়তে দেশৰ বৈচিত্ৰ্যৰ প্ৰতিফলন ঘটিছে। ভাটিন্দা বিশ্ববিদ্যালয়ৰ দশম সমাৱৰ্তন অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰীমতী মুৰ্মুৱে আজি এইদৰে কয়। এনেধৰণৰ বিশ্ববিদ্যালয়সমূহ দেশৰ চহকী সংস্কৃতিৰ প্ৰতিনিদি বুলি উল্লেখ কৰি তেওঁ আশা প্ৰকাশ কৰে যে, এই বিশ্ববিদ্যালয়খন দেশৰ বৈচিত্ৰ্য, সংহতি আৰু পাৰদৰ্শিতাৰ অবিৰত প্ৰতীক হৈ ৰ'ব।

তখট শ্ৰী দমদমা ছাহিবৰ কথা উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে কয়, যে এই অঞ্চলটোক গুৰু গোবিন্দ সিঙে **গুৰু কী কাশী** হিচাপে নামকৰণ কৰিছিল। এনে এখন পৱিত্ৰ ভূমিক অধ্যয়ন কৰিবলৈ পোৱাটো ছাত্ৰ-ছাত্ৰীসকলৰ বাবে গৌৰৱৰ বিষয় বুলিও তেওঁ উল্লেক কৰে। ৰাষ্ট্ৰপতিয়ে কয়, যে মহিলাৰ বিকাশ মানেই হৈছে সমাজৰ বিকাশ আৰু শিক্ষিত মহিলাই শক্তিশালী সমাজ গঢ়ে। সমাবৰ্তনত মুঠ পদকজয়ীসকলৰ ৬৫ শতাংশই মহিলা হোৱাৰ কথাত আনন্দ প্ৰকাশ কৰি শ্ৰীমতী মুৰ্মুৱে কয়, যে এইসকল ভাৰত কন্যাই বিকশিত ভাৰত নিৰ্মাণৰ সপোনক আগুৱাই নিব পাৰিব। প্ৰাক্তন ৰাষ্ট্ৰপতি ড০ এ পি জে আব্দুল কালামৰ উদাহৰণ দি শ্ৰীমতী মুৰ্মুৱে কয়, যে ড০ কালামা সদায় নিজৰ জীৱনৰ প্ৰতি অনুসন্ধিতসু আছিল আৰু সেয়ে তেওঁ ইতিহাস ৰচনা কৰি গৈছে। এজন সফল ব্যক্তি হোৱাতকৈ এজন ভাল মানুহ হোৱাটো বেছি গুৰুত্বপূৰ্ণ বুলি উল্লেক কৰি তেওঁ কয়, যে নৈতিকতাৰ জোৰত এজন ব্যক্তিয়ে স্থায়ী সাফল্য আৰু সন্মান অৰ্জন কৰিবলৈ সমৰ্থ হয়। শিক্ষাৰ্থীসকলক তেওঁ নৈতিকতাক সাৰথি কৰি লক্ষ্যৰ দিশে আগুৱাবলৈ আহ্বান জনায়। ৰাষ্ট্ৰপতিগৰাকীয়ে আশা প্ৰকাশ কৰে যে এইসকল যুৱ শিক্ষাৰ্থীয়ে ২০৪৭ চনত এখন বিকশিত ভাৰত গঢ়ি তুলিবলৈ সমৰ্থ হ'ব।

আজিৰ সমাৱৰ্তনত এহেজাৰ ৩১ গৰাকী শিক্ষাৰ্থীক স্নাতকোত্তৰ, ৬০ গৰাকী শিক্ষাৰ্থীক পি এইছ দি ডিগ্ৰী প্ৰদান কৰাৰ লগতে ৪৩ গৰাকী মেধাবী শিক্ষাৰ্থীক স্বৰ্ণপদক প্ৰদান কৰা হয়।

0000000

কেন্দ্ৰীয় চৰকাৰে অহা তিনি বছৰৰ ভিতৰত দেশৰ প্ৰতিখন জিলাতে কৰ্কট ৰোগৰ চিকিৎসাৰ বাবে একোটা ডে কেয়াৰ কেন্দ্ৰ মুকলি কৰিব। ৰাজ্যসভাত আজি এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই কয়, যে ২০২৫-২৬ চনৰ ভিতৰত ২০০ টা ডে কেয়াৰ কেন্দ্ৰ স্থাপন কৰা হ'ব। শ্ৰী নাড্ডাই শেহতীয়া কিছু তথ্য দাঙি ধৰি কয়, যে আয়ুষ্মান ভাৰত- প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা ৰূপায়ণৰ পাছৰে পৰা কৰ্কট ৰোগীসকলৰ ৰোগ চিনাক্ত হোৱাৰ ৩০ দিনৰ ভিতৰত চিকিৎসা আৰম্ভ কৰা হয়। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত চৰকাৰে সুলভ আৰু গুণগত মানৰ স্বাস্থ্য সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত কাম কৰি আহিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে প্ৰকাশ কৰে।

0000000

মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ গেৰাণ্টি আঁচনি, এম জি এনৰেগাৰ ৰূপায়ণত দেশৰ যিকোনো স্থানত নীতি-নিৰ্দেশনাৰ উলংঘন হ'লে চৰকাৰে সেই স্থানলৈ তদন্তকাৰী দল প্ৰেৰণ কৰিব আৰু এই ক্ষেত্ৰত

বিহিত ব্যৱস্থা গ্ৰহণ কৰিব। গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি লোকসভাত এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত এই কথা প্ৰকাশ কৰে। গ্ৰামোন্নয়ন বিভাগৰ ৰাজ্য মন্ত্ৰী কমলেশ পাছোৱানে এই সন্দৰ্ভত কয়, যে বিগত বছৰসমূহত কেন্দ্ৰীয় চৰকাৰে এম জি এনৰেগাৰ বাবে পুঁজিৰ আৱণ্টন যথেষ্ট বৃদ্ধি কৰিছে। ইউ পি এ চৰকাৰৰ শাসনকালত ২০০৬-০৭ বৰ্ষত এই আঁচনিৰ বাবে ১১ হাজাৰ কোটিৰো অধিক পুঁজিত আৱণ্টন দিয়া হৈছিল বুলি উল্লেখ কৰি শ্ৰী পাছোৱানে কয়, যে ২০২৪-২৫ বৰ্ষত এই পুঁজি ৮৬ হাজাৰ কোটিলৈ বৃদ্ধি কৰা হয়। তেওঁ লগতে পশ্চিমবংগত এই আঁচনিৰ ৰূপায়ণত অনিয়ম হোৱা বুলিও অভিযোগ কৰে।

০০০০০০০

ৰাষ্ট্ৰীয় শিক্ষা নীতি আৰু ত্ৰিভাষা নীতিক লৈ ডি এম কেৰ সাংসদসকলে আজি সংসদভৱনৰ বাহিৰত প্ৰতিবাদ সাব্যস্ত কৰে। দলটোৰ সাংসদ কানিমোঝিয়ে সংবাদ মাধ্যমৰ আগত তামিলনাডুৰ বাবে শিক্ষা পুঁজি মুকলি কৰি দিবলৈ কেন্দ্ৰীয় চৰকাৰক দাবী জনায়। তেওঁ লগতে শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কালি লোকসভাত তামিলনাডু চৰকাৰক লৈ কৰা আপত্তিজনক মন্তব্যৰ বাবে ক্ষমা খোজাৰো দাবী জনায়। কেৰালাৰ ইউ ডি এফৰ সাংসদসকলেও আজি সংসদভৱনৰ বাহিৰত আশাকৰ্মীসকলৰ সমৰ্থনত প্ৰতিবাদ সাব্যস্ত কৰে। সংবাদমাধ্যমৰ সৈতে হোৱা কথাবতৰাত কংগ্ৰেছ সাংসদ কে বি বেনুগোপালে কয়, যে আশাকৰ্মীসকলে ২৪ ঘণ্টাই স্বাস্থ্য সেৱাৰ সৈতে জড়িত হৈ থাকি স্বাস্থ্যখণ্ডত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াই আহিছে।

০০০০০০০

জম্মু-কাশ্মীৰৰ ৰিয়েছি জিলাৰ গংগোটত আজি সংঘটিত এটা পথ দুৰ্ঘটনাত তিনি জন লোকৰ থিতাতে মৃত্যু হোৱাৰ উপৰি আন ১০ জন লোক আহত হয়। মাহুৰ টেহছিলৰ পিছল বাটেৰে যাত্ৰী কঢ়িয়াই নিয়া গাড়ীখন দ খাৱৈত বাগৰি পৰাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। আহত লোকসকলক অঞ্চলটোৰ স্বেচ্ছাসেৱক আৰু আৰক্ষীৰ সহযোগত চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে গুৰুতৰভাৱে আহত আন চাৰিজন লোকক জম্মু চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়।

০০০০০০০

দিল্লীৰ আনন্দ বিহাৰ এলেকাৰ বস্তি অঞ্চলত আজি নিচেই পুৱাতে সংঘটিত এটা অগ্নিকাণ্ডত তিনিজন লোকৰ মৃত্যু হয়। দিল্লী আৰক্ষীয়ে জনোৱা মতে, কেইজনমান শ্ৰমিকে সাজি লোৱা অস্থায়ী শিবিৰত পুৱতি নিশা অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। প্ৰায় ৪৫ মিনিটতৰ অন্তত অগ্নিনিৰ্বাপন বাহিনীয়ে জুই নিৰ্বাপন কৰিবলৈ সমৰ্থ হয়। ঘটনাটোত এজন লোকৰ কথমপি প্ৰাণ ৰক্ষা পৰে বুলি আৰক্ষীয়ে জানিবলৈ দিছে।

০০০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে ২০২৪-২৫ বৰ্ষৰ বাবে প্ৰধান কৃষিজাত সামগ্ৰী উৎপাদনৰ দ্বিতীয় পূৰ্বানুমান প্ৰতিবেদন প্ৰকাশ কৰিছে। পূৰ্বানুমান অনুসৰি খাৰিফ কৃষিজাত শস্যৰ উৎপাদন প্ৰায় ৬৬ লাখ মেট্ৰিক টন হোৱাৰ লগতে ৰবি খাদ্য শস্যৰ উৎপাদন এহেজাৰ ৬৪৫ লাখ মেট্ৰিক টনতকৈও অধিক হ'ব বুলি অনুমান কৰা হৈছে।

খাৰিফ ধানৰ উৎপাদন ২০২৩-২৪ বৰ্ষৰ প্ৰায় এহেজাৰ ১৩২ লাখ মেট্ৰিক টনৰ পৰা বৃদ্ধি হৈ এহেজাৰ ২০৬ লাখ মেট্ৰিক টন হ'ব বুলি আশা কৰা হৈছে। তুৰ আৰু মাহজাতীয় শস্যৰ উৎপাদন ৩৫ লাখ ১১ হাজাৰ মেট্ৰিক টন আৰু ১১৫ লাখ ৩৫ মেট্ৰিক টনলৈ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে। প্ৰধান কৃষিজাত শস্যৰ তথ্য প্ৰকাশ কৰি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয়, যে

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে কৃষি খণ্ডৰ বিকাশৰ বাবে অবিৰতভাৱে কাম কৰি আছে। তেওঁ কয়, যে মন্ত্ৰালয়ে বিভিন্ন আঁচনিৰ জৰিয়ে কৃষকসকলক সহায় আৰু উৎসাহ যোগাই আহিছে। ইয়াৰ ফলত কৃষিজাত শস্যৰ উৎপাদন যথেষ্ট বৃদ্ধি পাইছে।

0000000

আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেলিফৰ্নিয়াত অনুষ্ঠিত ইণ্ডিয়ান ৱেলছ্ অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছত ভাৰতৰ য়ুকি ভাম্বৰি আৰু তেওঁৰ ছুইডেনৰ সহযোগী আন্দ্ৰে গোৰানছন প্ৰী-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। যুটীটোৱে আজি পুৱা বেলজিয়ামৰ ছেণ্ডাৰ জিলি আৰু পোলেণ্ডৰ জেন জিলেনস্কিক ৩-৬, ৭-৬, ১০-৮ ছেটত পৰাস্ত কৰে। যুটীটোৱে আজি নিশা ফিনলেণ্ডৰ হাৰি হেলিওভাৰা আৰু ব্ৰিটেইনৰ হেনৰি পেটেনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

সমাপ্ত